## চুইজাৰলেণ্ড সংবিধানৰ বৈশিষ্ট্য
## (Features of the Switerzerland Constitution) ঃ

আধুনিক গণতান্ত্রিক চৰকাৰৰ ভিতৰত চুইজাৰলেণ্ড সংবিধানত যিমানবিলাক বৈশিষ্ট্য আছে, তেনে বৈশিষ্ট্য বিশ্বৰ আন কোনো দেশৰ সংবিধান ত নাই। সেইকাৰণে লৰ্ড ব্ৰাইছে লিখিছে, "Among the modern democracies Switzerland was the highest claim to be studied."

**১। কনফেডাৰেচন (Confederation) ঃ**

১৮৪৮ চনৰ আগলৈকে চুইজাৰলেণ্ডত কোনো দৃঢ় কনফেডাৰেচন নাছিল। ১৩ খন কেণ্টন লৈ কনফেডাৰেচন গঠন কৰা হৈছিল যদিও ইয়াৰ কোনো কেন্দ্ৰীয় চৰকাৰ নাছিল। ১৩ খন কেণ্টন লৈ কনফেডাৰেচন গঠন কৰা হৈছিল যদিও ইয়াৰ কোনো কেন্দ্ৰীয় চৰকাৰ নাছিল। কিন্তু ১৮৪৭ চনৰ জোন্দাৰবন্দ যুদ্ধৰ পিছত তেওঁলোকৰ কনফেডাৰেচনৰ দুৰ্বলতাৰ কথা উপলব্ধি কৰি ইয়াৰ শক্তি বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ ফলস্বৰূপে এখন সংবিধানৰ খচৰা প্ৰস্তুত কৰি ১৮৪৮ চনত গ্ৰহণ কৰে। এই নতুন সংবিধানৰ আধাৰত চুইজাৰলেণ্ড এখন প্ৰকৃত ক্ষমতাসম্পন্ন ফেডাৰেচনলৈ ৰূপান্তৰিত হয়। নতুন সংবিধানৰ আধাৰতো কেণ্টনবিলাকে ৰাষ্ট্ৰীয় চৰকাৰলৈ অধিক ক্ষমতা নিদিয়াৰ ফলত ইয়াৰ কৰ্তৃত্ব সবল নহ'ল। ১৮৭৪ চনত সংবিধান সম্পূৰ্ণভাৱে সংশোধন কৰি ৰাষ্ট্ৰীয় চৰকাৰৰ ক্ষমতা আৰু মৰ্যাদা আগৰ সংবিধানৰ তুলনাত বহুতো বৃদ্ধি কৰে।

**২। দৃঢ় সংবিধান (Rigid Constitution) ঃ**

চুইজাৰলেণ্ডৰ সংবিধান হ'ল এখন লিখিত দৃঢ় সংবিধান। সংবিধানখনত গ্ৰেটব্ৰিটেইন আদি ৰাষ্ট্ৰৰ দৰে কিছুমান অলিখিত উপাদানো আছে। উদাহৰণস্বৰূপে কিহৰ ভিত্তিত এজন লোকৰ নাগৰিকত্ব নিৰ্ধাৰণ কৰিব পাৰি, সেই বিষয়ে সংবিধানত কোনো উল্লেখ নাই। কিন্তু সংবিধানত উল্লেখ আছে যে, কোনো এজন লোক কেণ্টনৰ নাগৰিক হ'লে স্বাভাৱিকতে তেওঁ কনফেডাৰেচনৰো নাগৰিক হয়। তদুপৰি সংবিধানখন দৃঢ় আৰু আমেৰিকা সংবিধানৰ প্ৰায় দুগুণ। চুইজাৰলেণ্ডৰ সংবিধানখন দৃঢ় যদিও ইয়াৰ সংশোধন পদ্ধতি আমেৰিকা সংবিধানৰ দৰে সঠিক জটিল নহয়।

**৩। ক্ষমতা বিভাজন তথ্যৰ অনুপস্থিতি (Absence of Theory of Separation of Power) ঃ**

চুইজাৰলেণ্ড সংবিধানৰ আন এটা বৈশিষ্ট্য হ'ল যে ইয়াৰ চৰকাৰৰ ক্ষমতা বিভাজন সূত্ৰৰ প্ৰয়োগ নাই। ইয়াৰ ফলত ফেডাৰেল এচেম্বলীয়ে বহু বিষয়ত কাৰ্যনিৰ্বাহক ক্ষমতা প্ৰয়োগ কৰিব পাৰে। ইয়াৰ ফেডাৰেল কাউঞ্চিলৰ সদস্যসকলক নিৰ্বাচন কৰাৰ উপৰিও ফেডাৰেল ট্ৰিবিউনেলৰ সদস্যকো ছবছৰীয়া কাৰ্যকালৰ কাৰণে নিৰ্বাচিত কৰিব পাৰে। অৱশ্যে ফেডাৰেল এচেম্বেলীৰ ক্ষমতা অপৰিসীম নহয়। গণভোটৰদ্বাৰা ইয়াৰ ক্ষমতা সংকুচিত কৰিব পাৰি।

**৪। ফেডাৰেল ব্যৱস্থা (Federal System) ঃ**

চুইজাৰলেণ্ডত ১৮৪৮ চনৰ সংবিধান অনুসৰি ফেডাৰেল শাসন প্ৰৱৰ্তন কৰা হৈছে। এই যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা ১৯টা কেণ্টন আৰু ৬টা অৰ্ধ কেণ্টন লৈ গঠিত হৈছে। আমেৰিকাৰ দৰে চুইজাৰলেণ্ডত একে নীতি অনুসৰণ কৰি ৰাষ্ট্ৰীয় চৰকাৰ আৰু কেণ্টনবিলাকৰ মাজত ক্ষমতা বিভাজন কৰা হৈছে। সংবিধান অনুসৰি ৰাষ্ট্ৰীয় চৰকাৰৰ হাতত হস্তান্তৰিত ক্ষমতা আৰু কেণ্টনবিলাকৰ মাজত অৱশিষ্ট ক্ষমতা বিতৰণ কৰা হৈছে। কেণ্টনবিলাকৰ ফেডাৰেল এচেম্বলীৰ উচ্চ সদনৰ নিৰ্বাচনৰ বিষয়ত সমান ক্ষমতা দিছে। তাৰ উপৰি কেণ্টনবিলাকক নিজস্ব এলেকাৰ অখণ্ডতাৰ স্বীকৃতি দিছে। কেণ্টনৰ চৰকাৰবিলাক নিজ নিজ কাৰ্যক্ষেত্ৰত সম্পূৰ্ণ স্বতন্ত্ৰ যদিও এই ক্ষেত্ৰত কেতবোৰ

সীমাবদ্ধতা আছে। প্ৰথমতে কেন্টন চৰকাৰবিলাক প্ৰজাতান্ত্ৰিক হ'ব পাৰে। দ্বিতীয়তে, কেন্টনবিলাকে নিজে প্ৰণয়ন কৰা সংবিধানবিলাক গণভোটৰদ্বাৰাহে সংশোধন কৰিব পাৰে। আন এটা সীমাবদ্ধতা হ'ল যে কেন্টন সংবিধানবিলাকৰ ফেডাৰেল সংবিধানৰ পৰিপন্থী কোনো বিধান থাকিব নালাগে। চুইজাৰলেণ্ডৰ সংবিধানত আনকি কি কি বিষয়ৰ ওপৰত দুয়োটা চৰকাৰৰ ক্ষমতা নাথাকিব সেই বিষয়েও উল্লেখ কৰা আছে। দেৱানী আইন আদি বিষয়ত দুয়োটা চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। যদি কোনো বিষয় লৈ দুয়োটা চৰকাৰৰ মতবিৰোধ হয়, তেন্তে কেন্টনবিলাকে ৰাষ্ট্ৰীয় চৰকাৰৰ সিদ্ধান্ত গ্ৰহণ কৰিব লগা হয়।

সংবিধানৰ কাৰ্যকাৰিতাৰ আৰম্ভণিতে চুইজাৰলেণ্ড ফেডাৰেচনৰ ক্ষমতা সীমাবদ্ধ আছিল যদিও দেশে সন্মুখীন হোৱা কেতবোৰ পৰিস্থিতিৰ কাৰণে ক্ৰমান্বয়ে ইয়াৰ ক্ষমতা বৃদ্ধি পায়। উদাহৰণস্বৰূপে প্ৰথম মহাযুদ্ধৰ হেঁচাই দেশৰ অৰ্থনৈতিক অৱস্থা দুৰ্বল কৰি তোলাত ফেডাৰেল চৰকাৰে প্ৰত্যক্ষভাৱে কৰ আৰোপ কৰাৰ কৰ্তৃত্ব লাভ কৰে।

**৫। মৌলিক অধিকাৰৰ অভাৱ (Absent of Fundamental Rights) ঃ**

চুইজাৰলেণ্ডৰ যুক্তৰাষ্ট্ৰীয় সংবিধানৰ আন যুক্তৰাষ্ট্ৰীয় সংবিধানৰ দৰে মৌলিক অধিকাৰৰ ব্যৱস্থা নাই। অৱশ্যে সংবিদ ানত নাগৰিকৰ কিছুমনান ব্যক্তিগত অধিকাৰৰ বিষয়ে উল্লেখ আছে। নাগৰিকৰ বাক্-স্বাধীনতা, ধৰ্মীয় স্বাধীনতা স্বীকৃতি দিয়া আছে। তদুপৰি আইনৰ চকুত সকলো সমান। কোনো লোকে জন্ম, উপাধি আদি লৈ বিশেষ সুবিধা লাভৰ দাবী কৰিব নোৱাৰে। সেই অনুপাতে কোনো বিশেষ আদালত স্থাপন কৰিব নোৱাৰিব। তদুপৰি ৰাজনৈতিক অপৰাধৰ কাৰণে মৃত্যুদণ্ড দিয়াৰ ব্যৱস্থা নাই।

**৬। বহুত্ব কাৰ্যনিৰ্বাহক (Plural Executive) ঃ**

আন এটা বৈশিষ্ট্য হ'ল যে চুইজাৰলেণ্ডৰ কাৰ্যনিৰ্বাহক বিভাগটো বহুত্ব। এই বিভাগটো ফেডাৰেল এচেম্বলীৰপৰা নিৰ্বাচিত সাতজন সদস্য লৈ গঠিত। ইয়াৰ সদস্যসকল দলীয় ভিত্তিত নিৰ্বাচিত হয়, যদিও ফেডাৰেল কাউঞ্চিলৰ সদস্য হোৱাৰ লগে লগে নিজ নিজ দলীয় আনুগত্য ত্যাগ কৰিব লাগে। নিৰ্বাচিত সদস্যসকলৰ মাজৰ পৰা এজন ৰাষ্ট্ৰপতি আৰু এজন উপৰাষ্ট্ৰপতি এবছৰীয়া কাৰ্যকালৰ কাৰণে নিৰ্বাচিত কৰে। সাধাৰণতে এবছৰীয়া কাৰ্যকালৰ অন্তত উপৰাষ্ট্ৰপতিজন ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হয়। অন্যান্য দেশৰ মুৰব্বীৰ দৰে চুইজাৰলেণ্ড ৰাষ্ট্ৰ প্ৰধানৰ বিশেষ কোনো ক্ষমতা নাথাকে। ৰাষ্ট্ৰপতিয়ে কিছুমান আনুষ্ঠানিক কাম সম্পাদন কৰে। ইয়াৰ পৰা এইটো স্পষ্ট হৈ পৰিছে যে চুইজাৰলেণ্ডৰ কাৰ্যনিৰ্বাহক তুলনামূলকভাৱে গ্ৰেটব্ৰিটেইন, ভাৰত, আমেৰিকা আদিতকৈ দুৰ্বল। যদিও ১৮৪৮ চনৰ পৰাই ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক সংকটৰ সন্মুখীন হৈ ইয়াৰ দায়িত্ব সুচাৰুৰূপে সম্পন্ন কৰিবলৈ সক্ষম হৈছে।

**৭। দ্বিসদনযুক্ত আইনসভা (Bi-cameral Legislature) ঃ**

চুইজাৰলেণ্ডৰ আইনসভাখন দ্বিসদনযুক্ত। ইয়াৰ উচ্চসদনক কাউঞ্চিল অৱ ষ্টেটচ আৰু নিম্ন সদনক নেচনেল কাউঞ্চিল বুলি কোৱা হয়। উচ্চ সদনে কেন্টন আৰু অৰ্ধ কেন্টনবিলাকক প্ৰতিনিধিত্ব কৰে। আনহাতে নিম্ন সদনে জনসাধাৰণক প্ৰতিনিধিত্ব কৰে। ফেডাৰেল এচেম্বলীৰ এই দুয়োটা সদনৰে ক্ষমতা সমান। ফেডাৰেল এচেম্বলীৰ হাতত কাৰ্যনিৰ্বাহক, আইন প্ৰণয়ন আৰু ন্যায়িক সকলো ক্ষমতা অৰ্পণ কৰিলেও এই ক্ষমতাবিলাক প্ৰয়োগৰ ক্ষেত্ৰত চূড়ান্ত কৰ্তৃত্ব নাই। ফেডাৰেল এচেম্বলীয়ে গ্ৰহণ কৰা সিদ্ধান্তৰ ক্ষেত্ৰত গণভোটৰ দাবী কৰিব পাৰে।

**৮। বিশেষ ন্যায়িক সমীক্ষাবিহীন ফেডাৰেল ট্ৰিবিউনেল (Limited Judicial Reviews) ঃ**

চুইজাৰলেণ্ডৰ ন্যায়িক প্ৰশাসনৰ উৰ্ধত থকা আদালতক ফেডাৰেল ট্ৰিবিউনেল বুলি কোৱা হয়। ফেডাৰেল ট্ৰিবিউনেলখনেই চুইজাৰলেণ্ডৰ একমাত্ৰ ফেডাৰেল আদালত। ইয়াৰ অধীনত পৃথক কোনো আদালত নাই।

ফেডাৰেল আদালত ২৮ জন বিচাৰক আৰু ১১ জন বিকল্প বিচাৰক লৈ গঠিত। এই বিচাৰকসকলক ফেডাৰেল এচেম্বলীয়ে ছবছৰীয়া কাৰ্যকালৰ কাৰণে নিৰ্বাচিত কৰে। বিচাৰকসকলৰ কাৰ্যকাল চমু যদিও তেওঁলোকক পুনৰ নিৰ্বাচনৰ ব্যৱস্থা আছে। কিন্তু চুইজাৰলেণ্ডৰ ফেডাৰেল ট্ৰিবিউনেল আমেৰিকা, ভাৰত আদি উচ্চতম ন্যায়ালয়ৰ দৰে ফেডাৰেল আইনৰ ক্ষেত্ৰত বিশেষ ন্যায়িক সমীক্ষা প্ৰয়োগ কৰাৰ কোনো ব্যৱস্থা নাই। আন কথাত ফেডাৰেল এচেম্বলীয়ে প্ৰণয়ন কৰা আইন সংবিধান বহিৰ্ভূত হ'লেও তাক অসংবিধানিক বুলি বাতিল কৰিব নোৱাৰে। ইয়াৰ বিশেষ ন্যায়িক সমীক্ষা ক্ষমতা কেৱল কেণ্টনৰ আইনৰ ক্ষেত্ৰতহে প্ৰয়োগ কৰিব পাৰে।

**৯। প্ৰত্যক্ষ গণতন্ত্ৰ (Direct Democracy) ঃ**

আন এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল যে প্ৰত্যক্ষ গণতন্ত্ৰ। বিশ্বৰ অন্যান্য দেশৰ তুলনাত চুইজাৰলেণ্ডৰ গণতন্ত্ৰক প্ৰকৃত গণতন্ত্ৰ বুলি অভিহিত কৰিব পাৰি। According to Dicey, "the essential feature of the Swiss Common-wealth is that it is a genuine and natural democracy, but a democracy on continental and not on Anglo Saxon ideas of freedom and government." চুইজাৰলেণ্ড গণপ্ৰস্তাৱ আৰু গণভোটৰদ্বাৰা জনসাধাৰণে চৰকাৰৰ কামত প্ৰত্যক্ষভাৱে অংশ গ্ৰহণ কৰিব পাৰে। সংবিধানৰ সংশোধনৰ ক্ষেত্ৰতো জনসাধাৰণৰ অনুমোদন আৱশ্যক হয়। কিন্তু আমেৰিকা, ভাৰত আদি ৰাষ্ট্ৰত গণতন্ত্ৰ আছে যদিও গণপ্ৰস্তাৱ আৰু গণভোটৰ ব্যৱস্থা নাই। সংবিধান সংশোধনৰ উপৰিও আইন প্ৰণয়ন, কৰ আৰোপ আদি বিষয়তো অনুমোদন আৱশ্যক হয়। তদুপৰি চুইজাৰলেণ্ডত দলীয় প্ৰভাৱ বেছি নোহোৱাৰ কাৰণে ভোটদাতাসকলে নিজ বিচাৰ-বিবেচনামতে ভোটদান কৰাত কোনো সমস্যাৰ সন্মুখীন নহয়।

**১০। সংসদীয় আৰু ৰাষ্ট্ৰপতি শাসনৰ সংমিশ্ৰণ (Mixture of Parliamentary and Presidential Government) ঃ**

চুইজাৰলেণ্ডৰ শাসন ব্যৱস্থা সম্পূৰ্ণভাৱে সংসদীয় বা ৰাষ্ট্ৰপতি নহয়। এই শাসনব্যৱস্থা সংসদীয় আৰু ৰাষ্ট্ৰপতীয় দুয়োটাৰে সংমিশ্ৰণ। চুইজাৰলেণ্ডৰ কাৰ্যনিৰ্বাহক ইংলণ্ডৰ দৰে সংসদীয়। কিয়নো ফেডাৰেল কাউঞ্চিলৰ সদস্যসকল ফেডাৰেল এচেম্বলীৰ সদস্যৰ মাজৰ পৰা নিৰ্বাচিত হ'লেও ফেডাৰেল এচেম্বলীৰ ওচৰত দায়বদ্ধ নহয়। ফেডাৰেল এচেম্বলীৰ অনাস্থা প্ৰস্তাৱৰদ্বাৰা ফেডাৰেল কাউঞ্চিলৰ সদস্যসকলক কামৰ পৰা অপসাৰণ কৰিব নোৱাৰে। সেইদৰে ৰাষ্ট্ৰপতি শাসিত চৰকাৰৰ নিচিনাকৈ ইয়াৰ কাৰ্যকাল স্থায়ী। ফেডাৰেল কাউঞ্চিলৰ সদস্যক জনসাধাৰণ নাইবা নিৰ্বাচিত সদস্যসকলে কামৰ পৰা অপসাৰণ কৰিব নোৱাৰে। সেই দৃষ্টিকোণৰ পৰা চুইজাৰলেণ্ডৰ শাসন ব্যৱস্থাক ৰাষ্ট্ৰপতীয় বুলি অভিহিত কৰিব পাৰি।

**১১। প্ৰজাতান্ত্ৰিক চৰকাৰ (Republican Government) ঃ**

চুইজাৰলেণ্ড সংবিধানে প্ৰজাতান্ত্ৰিক চৰকাৰৰ স্বীকৃতি দিছে। ইয়াৰ চৰকাৰ কোনো বংশানুগত পদ্ধতিৰে পৰিচালনা কৰাৰ বিধান নাই। চৰকাৰৰ বিভিন্ন সদস্যক নিৰ্বাচক মণ্ডলীয়ে নিৰ্বাচিত কৰে। চুইজাৰলেণ্ডৰ সংসদীয় সদস্যক জনসাধাৰণ আৰু কেণ্টনবিলাকে নিৰ্বাচিত কৰে। ইয়াৰ ফেডাৰেল চৰকাৰৰ নিচিনাকৈ কেণ্টনৰ সংবিধানবিলাকেও প্ৰজাতান্ত্ৰিক চৰকাৰৰ স্বীকৃতি দিছে। According to Article 4, "all Swiss citizens are equal before law. There shall be neither subjects nor privileges of birth, or family."

**১২। লিখিত সংবিধান (Written Constitution) ঃ**

চুইজাৰলেণ্ডৰ সংবিধানখন এখন লিখিত সংবিধান। ইয়াৰ প্ৰথমখন সংবিধান ১৮৪৮ চনত প্ৰণয়ন কৰাৰ পিছত ইয়াৰ দ্বিতীয়খন সংবিধান ১৮৭৪ চনত প্ৰণয়ন কৰে আৰু সেই সংবিধানখন বৰ্তমান কাৰ্যকৰী হৈ আছে। নতুন সংবিধানখনত ৫ টা অধ্যায়চ আৰু ৩০ টা অনুচ্ছেদ আছে।

১৩। **বহুদলীয় ব্যৱস্থা (Multiple Party System) ঃ**

চুইজাৰলেণ্ডত বহুতো ৰাজনৈতিক দল আছে যদিও আন দেশৰ নিচিনাকৈ ইয়াৰ ৰাজনৈতিক দলৰ ভূমিকা অধিক গুৰুত্বপূৰ্ণ নহয়। ইয়াৰ ৰাজনৈতিক দলবিলাকৰ মাজত নীতি আৰু আদৰ্শৰ ক্ষেত্ৰত পাৰ্থক্য একেবাৰে সীমিত। জনসাধাৰণৰো ইয়াৰ ৰাজনৈতিক দলবিলাকৰ প্ৰতি আস্থা নাই। সেই কাৰণে চুইজাৰলেণ্ডৰ ৰাজনৈতিক দলৰ ভূমিকা অধিক গুৰুত্বপূৰ্ণ নহয়।

১৪। **ক্ষমতা পৃথকীকৰণ তত্ত্বৰ অভাৱ (Absence of theory of Separation of Power) ঃ**

চুইজাৰলেণ্ড সংবিধানৰ আন এটা বৈশিষ্ট্য হৈছে যে ইয়াত ক্ষমতা পৃথকীকৰণ তত্ত্বৰ কোনো প্ৰয়োগ হোৱা নাই। ইয়াৰ ফলত চুইজাৰলেণ্ড ফেডাৰেল এচেম্বলীয়ে বহুতো কাৰ্যনিৰ্বাহক ক্ষমতা প্ৰয়োগ কৰিব পাৰে। অৱশ্যে ফেডাৰেল এচেম্বলীৰ ক্ষমতা গণভোটৰদ্বাৰা বহু পৰিমাণে সংকোচিত কৰা হৈছে।

১৫। **দীঘলীয়া দলিল (Lengthy Constitution) ঃ**

চুইজাৰলেণ্ড সংবিধানখন এখন দীঘলীয়া সংবিধান। এই সংবিধানখন আমেৰিকা সংবিধানৰ আকাৰৰ তুলনাত বহুতো ডাঙৰ। সংবিধানখনত চৰকাৰৰ বিভিন্ন বিভাগৰ প্ৰশাসনৰ সম্পৰ্কে বিতং বিৱৰণ দিয়া হৈছে।

১৬। **ধৰ্ম নিৰপেক্ষতা (Secularism) ঃ**

ধৰ্ম নিৰপেক্ষতা চুইজাৰলেণ্ড সংবিধানৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য। চুইজাৰলেণ্ডত বহুতো ধৰ্ম আছে যদিগও ইয়াৰ সংবিধানে কোনো এক ধৰ্মকে স্বীকৃতি দিয়া নাই। ইয়াৰ ফলত প্ৰত্যেক ধৰ্মীয় লোকৰে সম্পূৰ্ণ স্বাধীনতা আছে। ইয়াৰ জনসাধাৰণে যিকোনো ধৰ্ম গ্ৰহণ, প্ৰচাৰ আৰু উপাসনা কৰিব পাৰে।

১৭। **আইনৰ অনুশাসন (Rule of Law) ঃ**

চুইজাৰলেণ্ডৰ সকলো মানুহ আইনৰ চকুত সমান। ইয়াৰ সংসদে যি আইন প্ৰণয়ন কৰে সেই আইন সকলো লোকৰ ক্ষেত্ৰতে প্ৰযোজ্য। আনকি সংসদে অৰ্থাৎ ফেডাৰেল এচেম্বলীয়ে প্ৰণয়ন কৰা আইনক চুইজাৰলেণ্ড ফেডাৰেল আদালতে অসাংবিধানিক বুলি ঘোষণা কৰিব নোৱাৰে।

১৮। **উদাৰ সংবিধান (Liberal Constitution) ঃ**

চুইজাৰলেণ্ডৰ সংবিধানক এখন ১৯ শতিকাৰ উদাৰ দৰ্শনৰদ্বাৰা প্ৰভাৱান্বিত হৈ প্ৰণয়ন কৰা সংবিধান বুলি আখ্যা দিব পাৰি আৰু সেই কাৰণে চুইজাৰলেণ্ড সংবিধানে জনগণক অৰ্থনৈতিক, সামাজিক আৰু ধৰ্মীয় দিশত সম্পূৰ্ণ সুবিধা দিছে।

১৯। **কল্যাণকামী ৰাষ্ট্ৰ (Welfare State) ঃ**

চুইজাৰলেণ্ড সংবিধানে এখন কল্যাণকামী ৰাষ্ট্ৰৰ স্বীকৃতি দিছে। সংবিধানে ফেডাৰেল চৰকাৰ আৰু কেণ্টনৰ চৰকাৰবিলাকক এনে কিছুমান ক্ষমতা দিছে যাৰ দ্বাৰা নাগৰিকৰ কল্যাণ সাধন কৰিব পাৰি আৰু ইয়াৰ ওপৰত ভিত্তি কৰিয়েই ফেডাৰেল আৰু কেণ্টনৰ চৰকাৰবিলাকে জনসাধাৰণৰ কল্যাণ সাধন কৰিবলৈ সক্ষম হৈছে।

২০। **জনসাধাৰণৰ সাৰ্বভৌমত্ব (Popular Sovereignty) ঃ**

চুইজাৰলেণ্ড সংবিধানে জনসাধাৰণৰ সাৰ্বভৌমত্বক স্বীকৃতি দিছে। ইয়াৰ জনসাধাৰণেও আইন প্ৰণয়ন আৰু সংবিধান সংশোধনীৰ অংশীদাৰ হ'ব পাৰে। চুইজাৰলেণ্ড জনগণে গণপ্ৰস্তাৱ আৰু গণভোটৰদ্বাৰা আইন প্ৰণয়নত অংশগ্ৰহণ কৰিব পাৰে। সেইদৰে ফেডাৰেল এচেম্বলীয়ে প্ৰণয়ন কৰা আইনৰ ক্ষেত্ৰতো ইয়াৰ ফেডাৰেল আদালতে হস্তক্ষেপ কৰিব নোৱাৰে।